শধিয়া ঠেকালেনি। চুটিয়ায়ো তাবেপৰা মানুহ পঠাই বোলে,—মই বৰিলোঁ, তাতে থাকক, নাহিব। আমাৰবোৰে বোলে,—সোণৰ মেকুৰী, সোণৰ খাট, সোণৰ দণ্ড, আকে দিব। আমি খেমা কৰিম। এইবুলি পঠালে। সিয়ো কলেগৈ। তাকে নেদি সোণৰ খাৰু, কেৰু, নড়াকাপোৰ, আমাৰ ডাঙ্গৰীয়াসকললৈকো দিলে, ৰজালৈকো দিলে। বুঢ়াগোহাঁইলৈ যি নড়াকাপোৰ দিলে তাতে ভিতৰত চুৰি এখন দি পঠালে। পাচে বুঢ়াগোহাঁয়ে ৰজাক দেখালে। সবেও আলচি বোলে,—চুটিয়ায়ে আমাক ধৰিব খোজে। এইবুলি আমাৰভোৰে খেদি গল। চুটিয়াক ধৰিলেগৈ। সিয়ো নগৰৰপৰা ওলাই চন্দ্ৰগিৰি পৰ্ব্বতত উঠিলেগৈ। আমাৰ সৈন্য হিৰ দি খেদি গল। তাৰ শিলৰ দলিত চাপিব নোৱাৰে। আমাৰ সৈন্য হুসকি বল। আমাৰ মানুহে ঘিলালতাত ধৰি পাচ ভেটিলগৈ। ৰজায়ো ফাজংমুলৈ কাণ্ড মাৰিলে, নালাগিল। চুংডাঙ্গৰ চেৰচং শইকিয়াকে যাঠি মাৰি মূৰ কাটি ললে। জংমুঙ্গে ববকুঁৰৰীৰ মূৰ কাটি আনি পেলালেনি ডাঙ্গৰীয়া সবত। পাচে ৰজাদেৰো চুটিয়াৰ নগৰ চাই যি পালে নাৱে ভটিয়াই দিহিঙ্গলৈ দি পঠালে। ফ্ৰাচেংমুং বৰগোহাঁয়েৰে ৰজা আছিল। ৪২॥

চুটিয়া বণত পোৱা বস্তু।— ত্যাওচুঙ্গবিঙ্গকুংবিন-কাইতাৰাক খেদিলেগৈ। তাৰ বহুতৰ লেখা, হাতী ৩০, ঘোঁৰা ৬০, হিলৈ ৭৯; বাৰু, বৰ্চ্চা, দণ্ড-ছত্ৰ, কেকোৰাদোলা, আড়োৱান, পিকদান, গৰু, মহ, আনো বিস্তৰ পালে। গণক, বামুণ, তাঁতী, সোণাৰী, কমাৰ, তেলী, মালী, ধোবা, চমাৰ, আনো বহু বিৰত্তিয়াল, বহুত আনো জাতি পালে চুটিয়া যুঁজত। ৪৩॥

হুটুপীয়া ঘৰ।— একদিনা ৰবাহী মানুহে টুনি চবাই এসজা ৰজাদেৰক ভেঁটিলেনি, কুঢ়িলাৰ সজা, হুই টুপ দিয়া, চাঙ্গঘৰৰ ঠেনা। ৰজা দেখি বোলে, আমাৰ মানুহক দেখাব। সেই ধাৰণে ঘৰ সাজিলে হুই টুপ দি। ঘৰ ভাল হল। ৰজা বোলে, এনেকৈ কেৱে ঘৰ সাজিব নেপায়। তাৰেপৰা বাধা হল। ৪৪॥

বিবিধ কথা।—আতপাচে ৰজাৰ দুই ভনীয়েকক ফ্ৰচঙ্গক এটা দিলে, চুঙ্গহনক এটা দিলে। ৰজাৰ কুঁৱৰী মুংখ্ৰ জীয়েকক, খীমৰৰ জীয়েকক, কানমুঙ্গৰ জীয়েকক, এই তিনিক দেবীঘৰ লোৱালে। শধিয়াৰ অপদ্ৰৱ শুনি নড়াৰ পাচে কতোদিন থাকি নড়া গুচি গল। পুনু আসি ৰজাদেৱক সেৱা কৰিলে। ৪৫॥

বৰাহী, মৰাণ, চুটিয়া সংগঠন।—আমাৰ ৰাজায়ো বঁটা-বাহন বিস্তৰ দিলে, কন্যাকো দিলে। পূৰ্ব্বে যি চুকাফায়ে যি বৰাহী মৰাণ পালে থামিথুমা, থাকুনথা, থাকুন্‌খুন্‌, এতিয়া তাৰ নাতি-পুতিক চৰগুৱা, পাইবেলাত, দিহিঙ্গত, জাঁজিত, বাঘচৌত, কতোক লঙ্গককত পাতিলে। আনো থানে-থানে পাতিলে। এই চাৰিক চুটিয়া নাম দিলে। সামান্য বৰাহী, মৰাণ, চুটিয়া, কছাৰী, লুখুৰাখুন, ইহঁতৰ যি মানুহ হই তাৰ নাম নাকাটিব, চেটিয়া বুলিব। আহোমক নুবুলিব। চুটিয়া হিন্দুমতে। পূৰ্ব্বত আহোমৰ মানুহৰ নাম হৰাল। পুৰণি মিহলি হল। জনাবোৰত চিন বল। তাক ৰাখিব দিলে। ৪৬॥

শদিয়াত ফ্ৰাচেংমুন বৰগোহাঁই।—বৰগোহাঁইক চুটিয়া ৰাজ্যত থাকিব দিলে, ৰাজ্য বশ কৰিবৰ নিমিত্তে। শধিয়াৰ মানুহে বৰগোহাঁইকে ৰজা মানিলে। এই কথা ৰজা শুনি বৰগোহাঁইক মাতি পঠালে, বৰগোহাঁই নাহিল। পাচে বুঢ়াগোহাঁয়ে শধিয়ালৈ গল। বৰগোহাঁইক উপায়কৈ নাৱত তুলি আনিলে। ৰজাদেৱক সেৱা কৰিলেহি। ৰজায়ো থঙ্গকৈ দাবে গদিয়ালে। বৰগোহাঁই সেৱাকৈ গাদি ললে। ৰজায়ো চ'ৰাত বহিল। সেইদিন ধৰি বুঢ়াগোহাঁই শধিয়াৰ ৰাজ খায়। ৪৭॥

কছাৰী কৰতলীয়া।—দেৱবগাৰঁত, মৰঙ্গিত কছাৰী আছিল। আহোমে বাদ কৰিলে, বোলে, একে ৰাতিৰ ভিতৰতে ন-হাত দ' পুখুৰী হব, পানীও ৰব, যেয়ে পাৰে তাৰে ৰাজ্য হব। এই গছে যাৰে ৰাজ্য বুলি কয় তাৰে বাজ্য হব। কছাৰীয়ে বোলে, হব। এইবুলি পুখুৰী খানিলে, দুয়ো কৈফেদে দুটা। কছাৰী পুখুৰী খানি গধূলি গল, আহোম নগল। ৰাতি বোকা আনি তলিত পেলালে।

পানীও আনি ভৰালে আহোমে। পাচে সেইনিশা ঘৰলৈ আহিল। গছৰ খোঁদত আহোম এটা সোমাই আছিল। আনাকাদিনা দুয়ো কৈদে চালেহি, কছাৰীৰ পুখুৰীত পানী নাই। আহোমৰ পুখুৰীত পানী উপচি আছে। পাচে গছতো সুধিলে সেৰাকৈ। গছে বোলে, আহোমৰহে ৰজা, কছাৰীৰ ৰাজ নহয়। পাচে কছাৰীয়ে দেৱৰগাৱঁলৈ সোণৰ ৰূপৰ অলঙ্কাৰ দি সেৱা কৰি ডেমেৰালৈ ভাগি গল। পাছে চুহুমফা ৰজাদেৱে সেই কছাৰীক বহুবাৰ যুঁজিলে, আৰু চেং ৰজাক খুনখৰাক ধৰি আনিলে। সিয়ো হাতী, ঘোঁৰা, ৰূপ এশ আনি ৰজাদেৱৰ পাৰ চুই সেৱা কৰিলে। তাক শিকালে-বুজালে,—হঠাতে ক্ৰোধ নকৰিবি তই। তই ৰাঙ্গৰ ঠেনা নকৰিবি। এইবুলি ৰজাদেৱে হাতৰ আঙ্গুঠি দিলে বাখৰাম। ৰাজা বোলে,—তোৰ খাটনিয়াৰ পাঁচোটা আহিব। আমালৈ ঘোঁৰা দিবি ২০, বুঢ়াগোহাঁইলৈ দিবি ৩টা; মৰঙ্গিখোৱালৈ দিবি ১টা, এই নিৰন্ধ। ৪৮॥

ভুঞা।—আতপাচে বৈয়ত ভাঙ্গি আনিলে। বিস্তৰ ৰাজত মানুহ পাই থানে থানে পাতি ভূঞাইঁতক নিৰন্ধ দি মেলি পঠায়। ৪৯॥

কৰতোয়া বিজয়।—সলাত গড বান্ধি থৈ উত্তৰে-দক্ষিণে যি ৰাজ পায়, তাক মাৰিবৰ মন কৰিছে। যায়েঁাতে বিশ্বসিংহে আহি ৰাজ্য মাগিলেহি। আপুনিও বৰিল। তাক উত্তৰে কাজলীয়ে, দক্ষিণে বৰনদী সীমাকৈ হাজোৰপৰা গৰিয়াক মাৰি খেদি নি কতোদিনে ঘোৰাঘাট পায়, তাতে বৰ ডাঙৰ যুদ্ধ হল, সাতদিন সাতৰাতি। পাচে বঙ্গাল ভাগি গল। কৰতোয়া নৈত খাণ্ডা পখালিলে।

তাতে কতোদিন থাকি আলি পুখুৰী খানি, তাতে আছোতে গৌড় ৰজায়ে এছানালে ভাল মানুহে কলেহি, গৌড়েশ্বৰে বুলি আহিছে আমালৈ যি হৈ সৈ আহক; এইবুলি কলে। সি কলত তাৰ ৰজা নাহি ভায়েকক পঠালে, তাৰ হাতত ৰূপ ১০০০, ঘোঁৰা ৩০, দায়ৰাক ৬২, বছৰি-বছৰি এইৰূপে দিব বুলি কবুলি কৰিলে। আমাৰবোৰে ছমাহ থাকি বাৰী পাতিলে। পুখুৰী খানি তাতে এক

দৌল বান্ধি আহোম নিয়মে গৰু-ম'হ কাটি স্বৰ্গদেৱলৈ উচৰ্গি আহি কামৰূপলৈকে আলি বান্ধিলে। কৰতীয়া গঙ্গাৰ কোখত পুখুৰীপাৰত খুটা পুতি সোণৰ পানী চৰাই খুটাত লিখা-পত্ৰ কৰিলে, বোলে,— "অনায়ুদ্ধে যি ৰাজ্য লব তাৰ পিতৃ-পিতামহ নৰকত পৰিব, হাৰিয়ে ঝাটেৰে কোবাব, তিৰুতাৰ মেখেলা পিন্ধিব।" এই নিৰন্ধ কৰি আহিল। ৰজাত কৈ আহিল ই কাকত। ৫০ ॥

ৰাজচ'ৰালৈ ভূঞাৰ সমাগম।—ভূঞাইঁত আহি গান্ধ, স্বওঁৰ, খঙ্গা ৰজাক ভেটিলেহি। ছমাহ থাকি যায়, অহাযোৱাকৈ থাকে। উত্তৰকোলত ৪ মাহ থাকি পুখুৰী খানি আহিল। দিহিঙ্গত দৌল বান্ধিলে, পুখুৰী খানিলে শিলিখাতলত, পানীচকি দি হাট পাতিলে দলৌগুৰিত। হালধিবাৰীত নগৰ কৰিলে। ভূঞাইঁত আহি থাকে, ৰজায়েৰে কথা হই থাকে। ৰজা বামুণইঁতক বাদ কৰাই ৰঙ্গ চাই থাকে। পূৰ্ব্বে বাৰু নাছিল, ছাৰিব নাজানে, ভূঞাৰ পৰাহে হল। আমাৰ কাৰফাই ধনুহে আছিল, চুটিয়াত চুটিয়াধনু পালে। পিঠিয়ে জোৰ দিয়া চাৰিহাত দীঘলে তাক বৰধনু বোলে। তাকে মৰাই ৰঙ্গ চাই থাকে। সি ভূঞাইঁতে কথা শুনি বাদ কৰাই চালে, সি ৰাজকথা-বাৰ্ত্তা কলে, গঙ্গা জগন্নাথৰ কথা, দেশৰো কথা কলত হিন্দুদেৱ বুলি থৈ আহিবলৈ দিলে। ৫১ ॥

গড়গঞা ডেকাৰজাৰ বিৰোধ।—ৰজাৰ দুই জীয়েক, বৰ-গোহাঁইৰ নাতিয়েকত এক জীয়েক দিলে, বুঢ়াগোহাঁইৰ পুতেকত এক জীয়েক দিলে। নাপাই বুলি বুঢ়াগোহাঁয়ে নানে, ৰজা বলকৈ দিলে। টংচু সন্দিকাইত একজনা দিলে। একদিনা ৰজাদেৱে ডেকা-ৰজাৰে কুকুৰা যুঁজাই বোলা-বুলি লগাই গুচি আহিল। একদিন ৰজা গড়গাৱলৈ আহিল। ৰজা সেই সময়তে সৰুগোহাঁইক কোলাকৈ আছিল। ডেকাৰজায়ে বাপেক ৰজাক সেৱা কৰিবলৈ আহিল। গোহাঁইক দেখি সেৱা নকৰি মথৰীত আৱজি বল। পাচে উলটি আহিল। ৰজায়ো খঙ্গকৈ থাকিল। ৫২ ॥

তুৰ্ব্বকৰ পৰাজয় ।—সেইবেলা বঙ্গালৰ ৰজায়ে তুৰবক নামে এক নবাবক পঠালে। সিয়ো আহি খাৰৈ পালেহি। আমাৰ ৰজায়ে বাৰ্ত্তা পাই ধৰিব দিলে। ফ্ৰাচেঙমুঙ্গ বৰগোহাঁই পৰিল, একুৰি হেঙ্গদান ধৰা পৰিল, কৰিং একুৰি পৰিল, থাওমুঙ্গকিংথাম পৰিল। হোঁসকি আহি বলহি। তেওঁৰে সলনি তনখামক বৰগোহাঁই পাতিলে। আমাৰৰোৰৰ নাৰ-নাৰৰা হোঁসকাই আনিলে। ৰজা খেদি যাব ধৰিলে। গড়গঞা ৰজাক তবে যাব দিলে। সবেও খেদি গল। পাচে দিনচাৰেক থাকি নাৰ-নাৰৰা যতনকৈ লৈ দুই দিকিৰপৰা যুদ্ধ ধৰি বঙ্গালক ভঙ্গালে। সিয়ো হোঁসকি গল। বহুত সৈন্য পৰিল। তাৰ আহিলা-পাতি বিস্তৰ পাই সলাভ বলহি। পাচে দিনচাৰেক থাকি দিহিঙ্গলৈ আহিল। গড়গঞা ৰজা পাচ পৰিল। ৫৩ ॥

মাটিৰ তলত বিৰাগৰ পুৰুষ ।—সেইবেলা তুৰবকে প্ৰীতি হওঁ বুলি যৌত সমে কন্যা দিলে। সেই কন্যাৰ কাৰণে পিতা-পুত্ৰৰ বিৰোধ হল। অৰ্দ্ধেক লোকেৰে আলচি যুদ্ধ নেৰিবি বুলি শপত কৰিলে দিহিঙ্গত হাত জোৰোৰাই। বপুৰাবোৰক বঁটা দিলে। বৰপাত্ৰক তামুলীকুঁৱৰী এজনা দিলে। পাচে ডেকাৰজা নাযাবৰ হৈ বৰগোহাঁইক পঠাই আনিব দিলে। ডেকাৰজা নাহিল। একদিন ৰজা চৰাত ওলাই নগাৰে সীমাকৈ গড় বাঁধিব দিলে। প্ৰথমৰ হজ্ঞ খানোতে এক মানুহ ওলাল। বা-বিচনীত কোৰৰ চাব লাগিল। সি যুৱয়া ছাঁ হেন ওলাল। পাচে সেই মানুহে বোলে, মোক কিয় তুলিলি? আমাৰ মানুহে বোলে, নাজানি তুলিলো। সি বোলে, লোহিত কোনপিনে গল? আমাৰ মানুহে বোলে, উত্তৰ পৰ্ব্বতৰ সমীপে গৈছে। সেই মানুহে বোলে, কলিকাল হল, মোক পুতি থ। ইহঁতেও পুতি ৰজাত কলেগৈ। ৰজা বোলে, কিমান ডাঙ্গৰ? সিহঁতে বোলে, বা-বিচনীহে দেখিলো, এটা হাতীৰমান হব। পাচে গড় নাবান্ধি আহিব দিলে। সেই পৰ্ব্বতৰ নাম দেৱপৰ্ব্বত থাকিল। তাৰে সমীপতে খুন্ত ৰজাৰ মৌদাম আছে। ৫৪ ॥

লুহিত ৰজাই দিয়া সোণৰ ফণি।—একদিন ৰজা কাশী নগৰলৈ গল। পাচে পছু মাৰি ৰঙ্গ কৰিবলৈ যাওঁতে লুহিতত জাল বোৱালে। জাল লাগিল। টেমেনিয়া ডোমে বুৰ দিলে। নোলাবৰ দেখি বৰপাত্ৰে বৰ দিলে। আপুনি দেখে লুহিত ৰজাৰ ঘাটত জাল লাগিছে। পাচে গুৱাপানেৰে তুতি কৰিলে। তুষ্ট হৈ জাল একৰাই বোলে,—ডোমে মোৰ ওচৰলৈ আহে, তাতেহে মাৰি থৈছোঁ। সেইবেলা লুহিত ৰজাৰ দুই কুঁৱৰীৰ ফণি সোণৰ ভাবদিয়া। তাঁৰে দুই বিবাদ কৰিছে। তাৰে এজনায়ে বৰপাত্ৰৰ গালৈ পেলাই দিলে, বোলে, আৰে নিমিত্তে বিবাদ লাগি থাকে, তই নে। বোলে, আক কি কৰিম? লুইত ৰজা বোলে,—থৰি, ই থাকিলে ঐশ্বৰ্য্য লুগুচে। পাচে এওঁ মৰা যেন ওলালহি। পাচে কতোবেলি থাকি জীলত ৰজা বোলে, কি দেখিলি? বৰপাত্ৰ বোলে, যি দেখিলে সমস্তেখনি ৰজাত কলে, ফণিকো দেখালে। ৰজা বোলে,—তোলৈ দিছেনে মোলৈ দিছে? এওঁ বোলে,—মোলৈহে দিছে, তুমিয়ে লোৱা। ৰজা বোলে, যাক দিয়ে সেইহে পায়। ৫৫ ॥

দিহিঙ্গীয়া ৰজা হত্যা।—সেই বছৰত ধানৰ গছত চাউল হল। আনো শস্যসব বছত লাগিল। ৰাজ্যবো সুখ হল। পাচে ৰজা তাৰেপৰা দিহিঙ্গলৈ আহিল। ডেকাৰজাৰ মাকক শপতাই পুতেকক আনিবলৈ পঠালে। কুঁৱৰীয়ো নাহিল। পাচে ৰজায়ে খংকৈ খেদি গল। জেবাংকোখলৈ ডেকাৰজা ওলাল। তাতে ৰব নোৱাৰি দুইকি তিৰৈকোখে আহি দিখৌকোখ পালেহি। তাতো ৰব নোৱাৰি হেন জানি গাভৰুবোৰক আগকৈ পাৰ কৰাই পঠালে। ৰজা বোলে, ইবোৰ কোন কোন হলে? বোলে, দেৱতাৰ বোৱাৰীবোৰ, দেৱতাক আহিবৰ দেখি পলাই যায়। পাচে ৰজা দুখকৈ দিহিঙ্গলৈ গুচি আহিল। পাচে ডেকাৰজায়ে মানুহ পঠাই দিলে, কছাৰী কুঁৱৰী গালৈ। পাচনি বেটী পঠাই বোলে, পঠাওক। যেন-তেন প্ৰকাৰে মাৰি দিব পাৰে যদি ৰবচাউ পাতিম, এই কথাতে সম্মাত বুজি ধন লেহেতিয়া

ভায়েকক তিৰোতা সাজ পিন্ধাই পঠালে। সি ৰাতি গৈ ৰজাক খুন কৰিলে। লাক্নি কামাওত। চুহুংফা ৰজাৰ ভোগ ৫৩ বছৰ। দিহিঙ্গীয়া ৰজাৰ কথা গত। ৫৬ ॥

চুক্লেনমুং গড়গঞা ৰজা।—যিখনিত যুঁজ লাগিল পিতা-পুত্ৰৰ সেইখনিক ৰণচেখাম বোলে। যিখনিত চেপি থলেহি তাকে চেপন বোলে। ডেকাৰজা স্বৰ্গৰজা হল। কছাৰী কুঁৱৰীৰ দুই ভায়েকক ৰাতমাল ধনক গাত খানি তলে-ওপৰে কাঁইট দি পুতি থলে। পাচে ভায়েকবোৰে শুনিলে বাপেক ৰজাক মাৰিবৰ। দেওৰজাত বাজে পাঁচ ভায়েক নামৰূপীয়া ৰজা, তিপাম ৰজা, মহঙ্গীয়া ৰজা, চাৰিঙ্গ ৰজা, দুৱৰজা, এই পাঁচ ভায়েক এঠাই হৈ দীঘলমোৰত যুঁজ লগালে। গড়গঞা ৰজাক নোৱাৰি পলাই গল। ৰজায়ো খেদি গৈ ডিৱকমুখত ৰণ ধৰিলে। ৰজা বেঢ়ি পাঁচকো ধৰিলে। তাতে মুৰমালা বান্ধি আহিল। ভায়েকহঁতক ধৰি আনি দিজৈমুখত মাৰি পুতি থলে। দেওৰজাক ৰাখিলে। পাঞ্চৰো কাজ কৰিলে। চুক্লিমুং নাম লৈ। ৫৭ ॥

হেমনবাৰী বা গড়গাওঁ।—দিখৌকোখে সীমা পাটমাদি ভিতৰ কৰি নগৰ মেৰাই গড় বান্ধি লৈ তাতে এঘৰ মানুহ গুচাব নোৱাৰিলে। তাক হেমনা বুলি মাতে। সি বঙ্গনথাওমুঙ্গ নাতি, বাঁজীবঙ্গা। ৰজাকো ৰৰকথা মাতে। সি বোলে,—মোৰ আবা কটা মাটি, ৰজা কি? এই নিমিত্তে নামকালে গড় কিছু খণ্ড হৈ হৈ থাকিল। সি মৰিলতহে গড় বান্ধিব পাৰিলে। এতেকেহে হেমনবাৰী বোলে, এতিয়াও। ৰজায়ে নগৰৰ গড়গ্ৰাম নাম দিলে। চাৰিখন দুৱাৰ দিলে। ৫৮ ॥

দিখৌৰ কাষত মানুহৰ বসতি।—সেইবেলা বানফা নগা মাৰিছে। দিখৌৰ দুইকোখে হাবি কাটি মানুহ বহিব দিলে। দহ-কুৰিয়ে এঠাইকৈ হাবি কাটে। কতোৱে অকলে কাটে। বাজ মাৰি অনা-বোৰে বোলে, তহঁতে মাগি খাম, এনে দুখ-বন কোনে কৰে, আমাৰ থানথিতে নাই। ৰজাদেৰে চাই ফুৰে। বোলে, দুখ কৰিলেহে সুখ হয়। তোৰহে পো-নাতিয়ে আধিকৈ খাব। এইবুলি ৰজাদেৰে

ধৰিব নোৱাৰিলত সবে বোলে, মই বামুণ। এতেকে ৰজাদেৱে বিচাৰিব দিলে। লেকাই বৰবৰা বিচাৰ কৰিব। যাৰ গুচাব লাগে গুচাব, যাৰ ৰাখিব লাগে ৰাখিব। পাচে সেইৰূপে লেকায়ে কৰিলে। কতো ব্ৰাহ্মণৰে গুচিল, কতো অন্য জাতিৰে থাকিল। কতোৱে শপে কতোৱে বৰ দিয়ে। এই নিমিত্তেসে লগুণৰ গিৰি লেকাই চেটিয়া বোলে। এইকথা এইমানে গল। ৬৪ ॥

কোচৰজাৰ সৈতে স্বৰ্গদেৱৰ প্ৰীতি।—ওলট বছৰে মাল-গুৰুৱে শুনিলে বোলে, ব্ৰাহ্মণ নহে। মেচে ছদ্ম কৰি ব্ৰাহ্মণ হৈছিল। আকে শুনি খেদি আহি ফুলামত বলহি। এতেকেসে তাক মেচাঘৰ বোলে। পাচে সৈন্য বিস্তৰ শুনি কিছু যুদ্ধকো নোৱাৰি চৰাইখোৱাং পৰ্ব্বতলৈ গল। ওলমাল খুজিলত আমাৰবোৰে আহি যুদ্ধ কৰিলেগৈ। সেইবেলা চুঙ্গডাঙ্গৰ চেৰচংকুংৰঙ্গে নগৰীয়া বকৰা, তান ভাই মুং গড়গঞা সন্দিকাই, নেকেৰা ফুকিনমুং কেনয়, টংচু সন্দিকাই, থামুংফুকিনমুং কাণ্ড লাগি মৰিল। পাচে আমাৰলোক ভাগি দিখৌ পাৰ হৈ ৰাতি বিস্তৰ মেচ কাটি পুনু পাৰ হৈ বল। এনেৰূপে লগালগি সব নোৱাৰি আমাৰ হুহুঁকি আহিল। মাল-গুৰু গই মজালিত ৰহিলগৈ। তাৰপৰা উজিৰক পঠাই বোলে,—"ভাই ৰজা ৰণ দিয়োক। বাদিয়ো দিয়োক। আত থাকি কি কৰোঁ। দুই হাতীৰ যুদ্ধই কৰাৰ মন। আকেসে বোলে, আমিয়ো প্ৰজাৰ শীত-উষ্ণ ক্ষুধা-তৃষ্ণা ব্যসন, প্ৰজাৰ ব্যসনে ৰজাৰ ব্যসন। আকে জানি গো-ব্ৰাহ্মণ আগ্ৰসে ৰহোক। আমাক চিতপি পঠক।" পাচে আমাৰবোৰেও এইৰূপ ৰজালৈ জনাই পঠালে। পাচে আমাৰ দোহৰাই বুজিলে, বোলে, উজিৰ, তোৰ ৰজা কি পালে গুচি যাব সুধি আহিবি। তোৰ লগত আমাৰ তেজু পুডেক যাব। এইবুলি পঠালে। পাচে ইহঁতো গৈ এইৰূপে কলত পাচে মাল-গুৰুৱে বোলে,—"তিনি গোহাঁইৰ বেটা দিব, বৰনেওগৰ সৰুবেটা দিব, চুঙ্গডাঙ্গৰ, আত বাজেও নবাবৰোৰৰ বেটা দিব। তেবে আমি ফিৰিয়া যাম।" সকলবো লৰা দিলে। বৰগোহাঁইৰ লৰাৰ সলনি ৰজাৰ ভাই

তামোলনোখোৱা গোহাঁইক দিলে। চুঙ্গডাঙ্গৰ লৰা নেদি বেটীৰ লৰা দিলে। গধূলি ওল পাই কোচৰজায়ো ভটিয়াই গল। কোচানৰ যুদ্ধ গল। ৬৫ ॥

কুঁৱৰীৰ মৈদাম।—আতপাচে লাক্ষি কামাওত সৰুমিছাও হেৰাল। পাচে ৰজাদেৱে গোহাঁইবোৰক বোলে,—'ৰৰমিছাওৰ ওচৰতে সৰুমিছাওক পুতিবি। মঞি মৰিলে দুইবো মাজতে মোক পুতি মৈদাম একেটা কৰিবি।' এইবুলি সৰুমিছাওক পুতিলে। ৬৬ ॥

মহামায়াৰ দেৱঘৰ।—আতপাচে জয়ন্তাৰ ৰৰগোহাঁই ৰগালৈ আমাৰ দুই মানুহ পঠাই কন্যাৰ কাৰণে কলত বাক বুলি মানুহ পঠাই জয়ন্তাৰ দুই মানুহ লগত দি পঠালে। পাচে আমাৰ ৰজাদেৱে তাক ভুলি বাত-ৰতৰা সুধি ৰৰা-বুৰুকেৰে আলচি তাইজিন, তাইতেথুং, তাতাউকে, এই তিনিক পঠাই জয়ন্তাৰ কন্যা অনালে। জয়ন্তাৰ কন্যায়ে মনত দুখ কৰি কান্দি নিতে থাকোতে একদিন মহামায়া গুপুতে বোলে, মঞি তোৰ লগতে আহিছোঁ। তোৰ জোৱাইত কৰি মোক লৈ ঘৰ সাজি দিব। পুৱাতে ৰজাত গুপুতৰ কথা জয়ন্তা কুঁৱৰীয়ে কলে। পাচে ৰজাদেৱে শুনি দিখৌ-কোখত ঘৰ কৰি জয়ন্তাৰ পৰা পূজাৰী বামুণ আনি অষ্টভুজাক থাপিলে। ৬৭ ॥

স্বৰ্গদেৱৰ সোণাৰীৰ জী কুঁৱৰী।—ৰৰমিছাওৰ লগত সোণাৰী জীয়ৰী এটি আছিল পাচনী হৈ। পাচে তেওঁ মৰিলত সৰুমিছাওৰ লগতো সেইৰূপে আছিল। পাচে তেওঁ মৰিলত সোণাৰী জীয়েকক কুঁৱৰী পাতিলত সোণাৰীৰ উন্নতি ডাঙ্গৰৰূপে বাঢ়িল। সিহঁতৰ ঘৰ সজাই পুখুৰী খনাই দি ভাল মানুহ কৰিলে। কুঁৱৰীয়ো ৰজাক বশ কৰিলে। তিনিজনা গোহাঁইদেৱকো লগৰপৰা অপবাদ দি খেদোৱালে। দিখৌকোণত হাইঠাগুৰিৰ পোনে দক্ষিণপাৰে পুখুৰী খনালে। ৰজাৰে দ্বন্দ্ব কৰি বেলেগে আলি বান্ধিলে। নানাৰূপে প্ৰজাক উপদ্ৰৱ কৰে কুঁৱৰীৰ খাটনিয়াৰবোৰে। ৬৮ ॥

নাহৰ কোঁৱৰ।—ৰাজখোৱা চেটিয়া নাহৰ। তাক কোঁৱৰ পাতিলে। উত্তৰকূলৰ অধিকাৰ পালে। সি বোলে, মঞিও কথা হওঁ। এইবুলি তাৰ গঞাসমে উদ্ধাৰ হল। আত আলি পুখুৰী কৰি ৰজা ভাঙ্গিলে। পুখুৰী উচৰ্গোতে এক ব্ৰাহ্মণে অগ্ৰপূজা নেপাই বোলে,—“তাৰ পুখুৰী বৰ্জ্জিত হক। আত স্নান-পান কোনো নকৰোক।” এই বুলি অৱিহণা নলৈ গল। নাহৰৰ অনেক প্ৰকাৰ প্ৰজাক পীড়া কৰোঁতে বৰগোহাঁয়ে ৰজাক জনাই বোলে, কুঁৱৰী নাহৰে ৰাজ ভাঙ্গিলে। তোমাৰ ঘৰ নসৰে, তাৰহে ঘৰ। এইৰূপে অনেক কলত ৰজা বোলে, যেনে লাগে তেনে কৰোক, মোত কব নালাগে। পাচে বৰগোহাঁয়ে গৈ শিলিখাতলত হুকি দি মানুহকো ভেটি যাব নিদিছিলে। গোজলোঙ্গৰপৰা নাহৰ উজাই আহোতে ততে বাখিলে। আইকুঁৱৰীয়ে শুনি কাটি আনিবলৈ পঠালে। এৰি নিদি তাক তাতে মাৰিলে। পাচে কুঁৱৰীয়ে খেদি গলত বৰগোহাঁইৰ টান মাত শুনি উলটি আহি অনেক দুখ কৰিছিল। ৬৯॥

নগালৈ বঁটা-বাহন।—আৰ পূৰ্ব্বে চবাইখোৰোঙত ৰজাদেৱ আছোতে নগা ৰজা উপকাৰ পাই তাৰে হাজিবন্ধ হৈ বোলে,—“তয়ো খোৰা, ময়ো খোৰা, লেকেৰা বৰবৰা সিও খোৰা। ভাল হৈছে। এইবুলি বিল এখন, মানুহ ২০টা, মাটি ২০ পুৰা দি ঘৰদুৱাৰ তাতে সজাই দি তিৰোতা এটা দি বোলে,—“বছৰি আহি এই ঘৰতে থাকিবি।” এইবুলি বঁটা-বাহন দি পঠালে। ৭০॥

খোৰাৰজাৰ মৃত্যু।—উত্তৰত হাতী ধৰিবলৈ বৰগোহাঁইক পঠালে। পাচে ভূঞাইতৰ পোনে হাতী গল। সেই দাইত ভূঞা-ইঁতক কাটিলে। বৰাগী এটি আনিলে। একো নকৰি ৰূপ, কাপোৰ দি পঠালে। লাক্নি কাপচানত খোৰাৰজাদেৱৰ মৃত্যু; ভোগ ৫০। ৭১॥

চুচেংফা প্ৰতাপসিংহ।—তানপুত্ৰ চুচেং ৰজা ছুই সোণাৰী জী কুঁৱৰীক সবংশ সহিতে মাৰিলে। শিঙ্গৰীঘৰ উঠি আওবৰ কই বাইজক বঁটা-বাহন দিলে। ৭২॥

পাইকৰ নিৰন্ধন।—আতপাচে দহ-শৈয়াকৈ মানুহ হেজাৰ বন্ধাই ডা-ডাঙ্গৰীয়াসকলক মানুহ নিয়মকৈ দিলে। লেছেৰা ৰুৰবৰা মৰিলত থাওমুং টংচু সন্দিকাইক বৰবৰা পাতিলে। পুৰ্ব্বত তাওকাক আদিত দহখান গড় কৰিলে। মাহিলি অন্তৰে ৰাজ্যক ভাত খুৱায়। আপুনি ৰজাদেৱে হাতত লাখুটি লৈ তাৰ মাজে-মাজে ফুৰে। কোনোক আপুনি তুলিয়া ধৰি মঙ্গহ-পাচলি দিয়ে। মানুহ ডাগিয়ে-ডাগিয়ে পাতিলে। চৈৰনাচোৰতে বাইলুঙ্গ পৰ্ব্বতৰ কোণে নগাৰ সীমনা কৰি গড় কৰিলে। সেইবেলা খোৰাৰজাৰ দিনত নিয়া ওম নৰনাৰায়ণে ফিৰাই পাতালসিঙ্গৰ হাতত দি পঠালে। ৭৩॥

টঙ্গচু সন্দিকৈ বৰবৰা।—আতপৰে চৈয়নীয়া সন্দিকাইক অভয়-পুৰত পাতিলে। একদিন টংচু সন্দিকাই বৰবৰাৰ ঘৈণীয়েকক ৰজা মাতি পঠালে। তাই ৰজাক ৰকথা কৈ পুৰ্ব্বে যে বুলিলে মই ৰজা হলে, তোক ভাল কৰিম, এতিয়াহে মনত পৰিল। এই বুলি নগল। তিপামৰ কথা কৈ তামুলীয়ে ৰজাৰ আগত বোলে, গিৰিয়েকে বুলিবলৈ এনেকৈ শিকাইছে, আতেহে বোলে। পাচে ই দায়তে টংচু সন্দিকাই বুৰবৰাক লাদৈগড় বন্ধা ইঠাইতে টঙনিয়াই মাৰিব দিলে। ৭৪॥

শুকটী তামুলী বৰবৰুৱা।—তেওঁৰ সলনি বৰবৰা শুকটী তামুলীক পাতিলে। তেৱেঁ, বৰবৰা হৈ দিহিঙ্গত মথাৰী বন্ধালে। মেচাঘৰ, তেলীয়াডোঙ্গা, গজপুৰ, এইবোৰত পুখুৰী খনালে। গড়গাওঁ মেৰাই বাঁহগড় বান্ধি দহখান দুৱাৰ দিলে, তিনি ঠাইত সিংহদুৱাৰ দিলে। এই আপাহতে বৰবৰা নাম গুচাই শুকটী তামুলীক বৰবৰুৱা পাতিলে, জেওৰা ভেটিবৰ ভাল দেখি। ৭৫॥

ভণ্ডাৰী গোহাঁই।—বোমৰীয়া গণকক ভণ্ডাৰী বৰুৱা পাতিলে। খাতোৰাল চেটিয়াৰ জীয়েক বৰকুঁৱৰীক মেচাঘৰ দিলে। এতে-কেলে মেচাঘৰৰ পুখুৰী দিলে। পৰ্ব্বতীয়া বৰগোহাঁইৰ জীয়েকক ৰজাত বিয়া দিলে। বৰগোহাঁয়ে চুতিয়া বন্দী এটা আইকুঁৱৰীৰ লগত দিলে। পাচে আইকুঁৱৰী পৰ্ব্বতীয়া কুঁৱৰী হৈ তাকে

মেলৰ অধিকাৰ পাতিলে। পাচে ৰজাদেৱেত কথা-বাৰ্ত্তাত ভাল পাই ভণ্ডাৰী গোহাঁই নাম দি সবাৰে অধিকাৰী কৰিলে। ৭৬॥

জয়ন্তাৰ কন্যা আনে সাতগাৰেঁ দি।—আতপাচে জয়ন্তাৰ ৰজাৰ কন্যাৰ কথা কৈ পঠালে, বোলে সাতগাৰেঁ যদি নিয়ে কন্যা এটা দিম। গোভায়ে বঙ্গালৰ কাৰণে নোৱাৰি। পাচে আমাৰ ৰজাদেৱে নীতলিয়াক পঠাই বাট খুজিলত বাট নিদিলত পাচে খামচিন বৰ-গোহাঁই, লাউপেত বুঢ়াগোহাঁই; লাকু বৰপাত্ৰ, তিপাম ৰজা, চাৰিং ৰজা, সোন্দৰ গোহাঁই, এইসকল গৈ কন্যা আনিলে। পাচে ৰজা মাৰিবলৈ মন কৰি গৈ ইটাগড়ত বল। সোন্দৰ গোহাঁয়ে, বৰ-গোহাঁয়ে, এইসকল গৈ কন্যা আনিলে। কুলিকোখত বল। বৰিবো বুলি আহি কছাৰীয়ে ৰাতি কোকমোকত হাতীৰ হাতে গড় ভঙ্গাই বিস্তৰ মানুহ কাটিলে। সেইবেলা গুৱৈ লস্কৰক গুচাই লাইতা-মুঙ্গৰ নাতিক দিলে। ৭৭॥

আহোম-বঙ্গালৰ-ৰণ।—আতপাচে পৰীক্ষিত ৰজাক বঙ্গালে ধৰি নিলত চৈয়দ বাবাবকৰ নবাব হাজোত থানা দি ৰহিল। মুদৈ ছুটা শিঙ্গৰীত কিনাবিকা কৰিবৰ ছলে পঠাই। আমাৰ ৰজা শুনি বোলে, ছলছন্দহে কৰে। এইবুলি ৰজা চেংধৰা পঠাই মুদৈক কটালে। নাও আনিব দিলে। তাৰে এটাই গৈ নবাবত কলেগৈ। নবাবে সত্ৰাজিতক মতাই হাবুং পিকচাইক খেদি যি পাই লুটি নিলে। আকে শুনি বঙ্গাল ধৰিবলৈ মন কৰিলে। কছাৰীৰে যি বিৰাজ হৈছিলে তাৰেও প্ৰীতি কৰিলে। সংশয় গুচিল কছাৰীত। পাচে ডাঙ্গৰীয়াসকল গৈ ভড়ৰী কোৰত কোঁঠ দি বলগৈ। পাচে বঙ্গালে ৰাতিপুৱা কুলিজাৰত ভড়ৰী পাৰ হৈ বিস্তৰ মানুহ কাটিলে। আমাৰো ৰব নোৱাৰিলে, চামধৰালৈ আহিল। এইকথা ৰজালৈ জনাই পঠালে। পাচে এইকথা ৰজাদেৱে শুনি হুকি মাৰিলে কি কয় বুলি। ৭৮॥

মহেশ্বৰলৈ স্তুতি।—পাচে ৰজাদেৱে অনেক সম্ভাৰ লৈ মহেশ্বৰ ঘৰত স্তুতি-স্তোত্ৰ কৰি বোলে, মহেশ্বৰ, মোক বঙ্গাল শত্ৰুক মাৰি

দিয়া। এইবুলি গৈ নিদ্ৰাত ৰাত্ৰি বোলে, মঞি যাই বঙ্গাল মাৰি দিম, অনেক সেনা মাঠি-দা লৈ। পাচে ৰজাদেৱে চেতন পাই চকীত সুধিব দিলে বোলে, মানুহ বাতি যাবৰ সাৰ পালিনিকি ? চকীয়ালে বোলে, একো নেদেখো। কাটোৰালে বোলে, ৰাতি এপৰমানৰ পৰা মানুহ যাবৰ সাৰ পালোঁ। এতিয়াহে নিসাৰ হল। আমি ৰব নোৱাৰি আমি আঁতৰিহে আছিলো। এইকথা ৰজাদেৱে শুনি বোলে, পুৰাৰে ৰাজ আগ হল। আজি মঞি যাব লাগে। এইবুলি ৰজাদেৱে নিৰন্ধকৈ গল। ৰজাদেৱে সোণ এচৰু, ৰূপ এচৰু লৈ লাইপেলত হাতীত উঠি লুইতত নামি বোলে, হে ব্ৰহ্মপুত্ৰ, যদি মঞি বঙ্গালত হাৰিম, মোক তল নিয়া, বা যদি জিনিম মোক থাউনি দিবা। এইবুলি লুহিতত থাউনি পাই হাতীয়েৰে নামি গলত হাতীৰ পেটে মাতৰ পানীয়ে পালে। তাতে ৰূপ সোণ পেলাই ৰজা গা ধুই আছিল। তাতো ৰণজয় বাৰ্ত্তা পাই ভড়ৰীতো পূজা পালে। বোলে,—"ভড়ৰী আই, বঙ্গালখনি খাই দিয়া।" ৭৯ ॥

ভড়ৰী যুদ্ধত বঙ্গালৰ পৰাজয়।—আতপাচে মাঘৰ সাতদিন যাওঁতে চপকৰে গৈ ভড়ৰী কোৰত গৈ ৰণ ধৰিলে। উত্তৰে ভড়ৰী, দক্ষিণে ৰৰপেটা, পাচে ঘোৰ ৰণ লাগিলত ভড়ৰীত যি বঙ্গাল পাই উটুৱাই নিয়ে। বামত পেলায়ো সবে কাটে। লুইতত পানী ৰৰবেগে আসে, সোক পাই বঙ্গালকে উটাই নিয়ে। দক্ষিণে বঙ্গাল ভাগি পলায়। ৰৰপেটা দলনিত পৰিলগৈ। তিৰোতাবোৰে বেএগৰে বঙ্গালক কোবাই, কতো খেৰেৰে জুই লগাই দিয়ে। এইৰূপে উত্তৰে-দক্ষিণে বঙ্গালক ভঙ্গাই খেদি নি বালিত খাগৰিৰ ভেঁটা দি বাখিলে। তাত্ৰে আখৈ গোহাঁইক পালে। বজালৈ জনাই গল। ৰজা আহি বোলে আমাক এনে বঙ্গালেহে যুঁজে। এইবুলি জোৰেৰে ভাটিত জুই দিব দিলে। এই বঙ্গালক নি ঠায়ে-ঠায়ে পাতিলে। কতো ভাঙৰীয়া-বোৰক বাটি দিলে। ভড়ৰীত ৰণ-কথা, জয়। লাক্ৰি থুতমিত, মাঘ মাহ, দিন ২২। ৮০ ॥

মোমাই-তামুলী আদিৰ ৰাজ্য সংগঠন।—আতপাচে মমাই-তামুলী আদি ডাঙ্গৰীয়াবোৰক ৰাজ্য পাতিব দিলে। উত্তৰত খৰঙ্গী, মৰঙ্গী, দৈয়াং, ধনুধৰ, ভূঞা, তেতৈয়া, দোলামাৰি, ৰৰচৰিয়া, আন-লোকৰ গাওঁ মমাই-তামুলীয়ে পাতে। অভয়পুৰ ফুলবকৰা পিকচায়ে পাতে। শলগুৰি, নামডাঙ্গ, তংচু সন্দিকায়ে পাতে। ফুটুকাতলি পুখুৰী আলি বান্ধে। এইক্ৰমে আনো ডাঙ্গৰীয়াসকলে গাওঁ পাতিলে। দোপগড় শিলপানীত নগাহুৰাৰ কৰিলে। বৌমাৰিয়ায়ে বোলে,—"চাৰিভাগৰ এভাগ যদি দেৱতালৈ দিয়ে কিনো দুখ ৰাজে পায় ?" এইবুলি ৰজাক কলত ৰজা বোলে, ভালেহে বুলিছ, তয়ে নিয়মকৈ দিবি। সেই বছৰতে নিয়ম কৰি হাটৰ-ঘাটৰ-ফাটৰ মুগাচোঙ্গৰ বিলৰ দুখ নোপোৰা কৰি কাটল লগালে। তাৰেপৰাহে কাটল হল। ৮১॥

প্ৰতাপসিংহৰ মৃত্যু।— লাক্নি কাপচানত হৰাল। ভোগ ৩৬, মাহ শ্ৰাৱণ। প্ৰতাপসিংহৰ কথা এইমানে গল। কাকতৰ কথা অনেক থাকিল। ৮২॥

ভগাৰজাৰ দিনত পিন্ধা-উৰাৰ নিয়ম।—ভগাৰজা হৈ শলগুৰিলৈ আলি বন্ধালে। সেইবেলা গোহাঁইবোৰৰ আগত দোলাত উঠিবৰ কাৰণে বঙ্গা ফুকনক কাটিলে। সেইবেলা লাখটকীয়া মুদৈয়ে ঘৰসৰ সাজিলে। ঘৰকো ভাঙ্গিলে। তাৰেপৰা নিৰন্ধ কৰিব দিলে, বোলে, হিন্দুৰে এনেকৈ ঘৰ নাসাজিব খুকং ফুলচতি লগাই। এইকথা কুকুৰা-চোৱা কৰ দিলে। সোণৰ মণি, আঙ্গঠি, খুৰিয়া আদি নিপিন্ধিব। এনে ঘৰ নেসাজিব। আহমবো যি যিমানৰ মানুহ সেইমানেহে কৰিব। বঢ়া শুনিলে কাটিম। গুণা দিয়া কাপোৰ নড়া যেবেলা যি পিন্ধে নড়া-চোলা তাক কাটিম। এই নিৰন্ধ দিলে। ৮৩॥

তোলনীয়া পোলৈ মৰম।—ভওাৰী গোহাঁইৰ ভতিজা জীয়েকক কুঁৱৰী পাতিলে। তেওঁৰ বঙ্গহৰ লৰা তুলিলে। সেই লৰা কতোদিন থাকি মৰিলত ৰজা ব্যাকুল হৈ ডাঙ্গৰীয়াবোৰৰ লৰাক লগত দিবে লাগি মন কৰিলত সবে সাজু হৈ গোহাঁয়েৰে আলচি ৰজা ভাঙ্গি

টকুবাৰীত থলেনি। লাক্লি কাবাওত, ভোগ আ-চাবি বছৰ। ভগা-ৰজাৰ কথা গত। ৮৪॥

নৰিয়া ৰজা।—নৰিয়া ৰজা হৈ চুঙ্গি ৰণলৈ মানুহ পঠালে। দিহিঙ্গ নাপালেহি। পাচবছৰ চুঙ্গি মাৰি অভয়পুৰত পাতিলেনি। ৰৰজনা গোহাঁইক মাৰি খহুৱা গোহাঁইক বিৰামবাৰীত থলেনি। লাকু ৰৰপাত্ৰক কালুমুং বৰুৱাক মাৰিলে। তাৰ সলনি কেন্দুগুৰীয়া ৰৰপাত্ৰ পাতিলে। টংচু সন্দিকাইৰ বৰুৱা পাতিলে। দিলিহিয়াক গুচাই দিহিঙ্গীয়া ৰৰগোহাঁই পাতিলে। পাচে ৰজা বেথা গোহাঁইৰ উপদ্ৰৱ শুনিব নোৱাৰে। গৰ্ব্ভৱতী তিৰিক কুকুৰ মেলি খুৱালে। আনো উপদ্ৰৱ কৰে। ডা-ডাঙ্গৰীয়াবোৰৰ দোলাত কুকুৰ তোলে। ৮৫॥

স্বৰ্গদেৱ জয়ধ্বজসিংহ।—পাচে সেইবেলা নৰিয়া ৰজাৰ মাকৰ নিমিত্তে ভাত খুৱাবলৈ ভগা-পতা গোহাঁইবোৰক, ফুকন ৰাজখোৱা সবাকে নিলে। পাচে ভগা-বুঢ়াগোহাঁইক হুৱাৰতে বৈ আছিলে, তামোল দিবলৈ মাতিলে। তাতে বৈ বুঢ়াগোহাঁয়ে ৰজাৰে কিবা কথা হৈছিল। পাচে ভাত খাই সবে ঘৰাঘৰি গল। পৰলৈ আহে। ভগা বুঢ়াগোহাঁয়ে সকলকে ৰাখে, বোলে, ৰজাৰ কথায়ে ৰৰ লাগে। পাচে সবে এঠাই হলত পূৰ্ণিমাৰ দিনা ৰাত্ৰি সবে বোলে কথা বা কি? পাচে বুঢ়াগোহাঁয়ে বোলে, কি কথা? ৰজায়ে কলে, তহঁতে জানিছ। সিবোৰে বোলে, নেজানো। ভগা-বুঢ়াগোহাঁয়ে বোলে, দিহিঙ্গীয়া বুঢ়াগোহাঁয়ে বোলে, তহঁতে আছিলি দেখি বিশ্বাসে মোক তহঁতত কৰ দিলে। পাচে সবেও বোলে—ভাল, ৰজা যি বুলিছে কৰিব লাগে। বিৰামবাৰীৰপৰা খহুৱা গোহাঁইক আনি, বাপেক নৰিয়া ৰজাক নমাই আনোতে কোনবোৰে বোলে, স্বৰ্গদেৱ, আন নহয়, খহুৱা গোহাঁই। পাচে ৰজা বোলে আন বুলিহে ভয় কৰিলোঁ হোক। কিন্তু মোক যি শূলে বিন্ধিছে তাকো বিন্ধিব। এইবুলি ৰমণীৰজাৰত কাঠগড়া বান্ধি থলে ঘৰ সাজি। লাক্লি কাকৌত। নৰিয়া ৰজাৰ ভোগ আ-চাবি বছৰ। ৮৬॥

ধনজয়ৰ সভা।—জয়ধ্বজ মহাৰজা হৈ ভায়েকহঁতক মাৰি দিহিঙ্গীয়া বুঢ়াগোহাঁইক ভাঙ্গি দিলিহিয়াক বুঢ়াগোহাঁই পাতিলে। তেওঁৰ জীয়েকক বৰকুঁৱৰী পাতিলে। তাৰপাচে বৰহটিয়া সঞ্জয় [ধনজয়] ডোমে ঘৰৰ ভেটিলৈ মাটি তোলোতে ধন পাই সভা কৰিলে, দহখান গাওঁ ৰভাত। ডোমৰ, হাৰিৰ, আহোমৰ, সিদ্ধুৰ, গায়ন-বায়ন পৃথকে পৃথকে গাইছিল। প্ৰজা একাকাৰ হৈছিলে। তাৰ কুঠাৰেৰে বুকু ছিৰিলে। ধনজয়টোক কিয় সুদহিক পাতিব বুলি বুকু ছিৰিলে। তাতে চাংডাঙ্গৰ বৰগাওঁপৰীয়া বেৰতী আহোমৰ পৰিছে। সেই দিনৰপৰা ডোমৰ সভাত কেৰাহি কৰিও নেচায়। ৮৭॥

মীৰ্জ্জা নাথুলা।—আতপাচে মীৰ্জ্জা নাথুলা আদি বঙ্গালক মাৰিলে। ঢেকেৰী ভাঙ্গি আনিলে, লাক্ৰি কংমাৰত। ৮৮॥

ৰজাৰ জীয়ৰী।—একদিন ৰজা মৰঙ্গলৈ যাওঁতে বছৰ-চাৰেকিয়া ছোৱালী এটিয়ে ৰজাৰ কঁকালত সাৰটি ধৰিলে। ৰজা বোলে, কাৰ ছোৱালী? পাচে আইকুঁৱৰীয়ে বোলে, বুঢ়াগোহাঁই জীয়েকৰ ভায়েকৰ জীয়েক। মাক-বায়েক মৰিলত কুঁৱৰীয়ে আনি থৈছে। ৰজা বোলে, পুতৌ, মোক বাপেক বুলিহে ধৰিলেহি। মোৰ জী হল, মই তুলিম। এইবুলি অবোধে তুলি লুথুৰি পুতেকত কেকোৰা-দোলাৰে নমাই দিলে। আতপাচে বৰকুঁৱৰীৰ চাৰি জীয়েক, মাহীকুঁৱৰীৰ দুই জীয়ৰী হল। ৮৯॥

প্ৰদ-পয়াৰ ৰচনা।—ৰজা পাচে বাপুত আশ্ৰয় কৰি হৰি-মন্দিৰ কৰি আপুনি আৰ্ত্তনন কৰে। পদ্মপুৰাণৰ জনকৰ আখ্যানৰ পদ কৰিলে, আনো পদ-পোয়াৰ কৰে। লাক্ৰি খুতচিঙ্গাত ভটীয়াপাৰ পুখুৰী খানিছে। কেকুৰীৰ আলি পোনাইছে। বৰকুঁৱৰীৰ বায়েকক আনি পৰ্ব্বতীয়া কুঁৱৰী পাতিছেনি। টংচু সন্দিকাই ফুকন পাতি কলিয়াবৰলৈ পঠালে। চেংধৰাক বৰবৰুৱা পাতিলে। ৯০॥

বেজদলৈ সেনাপতি।—আতপাচে মীৰ্জ্জামুলা নবাব আমাৰ ৰাজ্যলৈ আহিবৰ শুনি বেজদলৈক সবাৰে মূৰ কৰি ৰণলৈ পঠালে,

বোলে, গোহাঁইবোৰ আদি ফা-ফুকন প্ৰমুক্ষে সবেও বেজদলৈৰ কথা কেৰে নেপেলাব, বেজদলৈত সুধিহে যি হয় কৰিব। এইবুলি পঠালে। সেইবেলা চাৰিংৰজা মৰিল। কেঞ্চু গোহাঁইৰ নাতি কাৰবা কোঁৱৰ বুলি হাতীশালত থওঁতে টংচু সন্দিকাইৰ ঘৰৰ ভকলি গাভৰুৰে তাইৰ পো বুলিলত ৰজাৰ লগত হেঙ্গদানধৰাত কৈ ববজনাক ললে। সৰু দুইজনা আপোনাৰ লগত থাকিব দিলে। তাৰে ববজনাক চাৰিংৰজা পাতি পঠালে। সবে গই গুৱাহাটীত বৈ বেজদলৈক বোলে, বঙ্গাল আহি পালেহি, আমি কি কৰিম? বেজদলৈয়ে বোলে, গড়-পাখি যতন কৰিব লাগে। ইবোৰে বোলে, আওতাৰব দেখালেহে পাৰোঁ। এনেতে বঙ্গাল শৰাইঘাট পালেহি। ইবোৰে কাজলীত বলহি। তাতো এনে হেঙ্গ-দোঙ্গেতে গল। ফুকন গোহাঁইবোৰে বোলে, ৰজাৰ কথা, তোত সুধি কাজ-কাম কৰিব দিছে। আমি যদি স্বতন্ত্ৰে কৰিম ৰজাদেৰে মাৰিব কাটিবলৈ পাব। এইবুলি ডাঙ্গৰীয়াসকলে নকৰে। বেজদলৈয়েও নাজানে। এনেতে বঙ্গাল পালেহি। কলঙ্গৰ কোখত তাতে কছাৰী যুজি নোৰাৰি চামধৰাত বলহি। ৯১ ॥

ৰাজ্যভগন।—সেইবেলা ৰজাশহুৰক বৰফুকন ভাঙ্গি বৰগোহাঁইৰ হাতত দুয়োখন হেঙ্গদান দিলে। উত্তৰে বৰগোহাঁই, দক্ষিণে বেজদলৈ চৰ্দ্দাৰ। পাচে বঙ্গাল পাই গড়ৰ সমীপতে ৰই আনদিনা ধৰিলেহি। পাঁজি-টাটবি নাইকিয়া পাই বঙ্গালে বিৰ্যুতে উঠিল। তাতে হাতীঘাঁহী মানুহ দিছিলে। সেইপোনে উঠিলত ৰাজ্য ভাগিব ধৰিলে। চ'তৰ দহদিন যাওঁতে, শক লাক্ষি প্ৰেক্‌চি, দুপৰত্ত ভাগিল। পাচে ৰাজ্য ভাগিলত ৰজা শুনি অনুক্ৰমে তিপাম পালেগৈ। বঙ্গালো অনুক্ৰমে শলগুৰি তিপাম পৰ্ব্বত-পাহাৰ গৰ্গাও জুৰি বল। আমাৰ ঝাতি ডেকা, ঘোঁৰাকোঁৱৰ, টংচু সন্দিকাইৰ পুতেক, ৰাম্বুলি, এইসকলে দগা দি বঙ্গাল কাটিলে। তথাপি বঙ্গালৰ ক্ষয় নহল। ৰজাৰ পৰাস্ত হল। বিস্তৰ লোক মৰিল। ৯২ ॥

বঙ্গাললৈ পেচকচ।—উলটি ফাগুন পালেহি। পাচে বাহুল্লি, উদ্ধ, চেংধৰা, এই তিনি কাথ মজিন্দাৰ বেজদলৈয়ে বৰিব খুজিলে। তাক কাটিলে। এইকথা শুনি পাচে সবে আলচি ৰাজ্য ৰক্ষাৰ কাৰণে তিনি লাস টকা; নবৈৰ হাতী; চাৰিপাত্ৰৰ চাৰি বেটা; ৰজাৰ জী, বৰকুঁৱৰীৰ চাৰি জীয়েকত কৰি সৰু বৰবৰুৱা জীয়েকৰ বৰজীয়েক নাংচেং গাভৰুক দিছে। চেম গাভৰু থাকিল। এইসকলক দি বঙ্গাল পঠালে। ৯৩॥

জয়ধ্বজসিংহৰ মৃত্যু।—পাচে ৰজা অনুক্ৰমে আহি বকতাত নগৰ কৰি ৰলহি। ৰজাৰ লগ এৰা ডাঙ্গৰীয়া, পেৰাভাৰী আনোসবক কৰ্কৰ্থনা কৰি মাৰিলে। আতপাচে বঙ্গালে চিৰপাৱ দি পঠালে। এইকথা ৰজা শুনি বোলে, বঙ্গাল ৰৰাত কৰি মৰণেসে ভাল। এইবুলি ৰজাদেৱো গড়গাওঁ চাই গৈ জলসাৰ ব্যাধি টান কৰি মৰিল। লাক্লি খুতমিত, ভোগ ১৫। ভগনীয়া ৰজাৰ কথা গল। ৯৪॥

চক্ৰধ্বজসিংহ।—পাচে চাৰিঙ্গীয়া ৰৰজনা ৰজা হৈ বাকী ধন দি এছৰৰ থাকি থাৰ, বাখৰ, কাণ্ড-ধনু মৰাই ৰাজ্যৰ দোৱাল ধৰিলে। আহিলা-পাতি অধিক হবৰ নিমিত্তে ৰাজা বঁটাবাহন দি খুৱাই-ধুৱাই মন বঢ়াই আনবছৰত ছৈত পিৰোজক জিনি আনিলে, লাক্লি মুংৰায়েত। চেংধৰা বৰুৱা মৰিল। ঘেঁৰাকোঁৱৰক বৰুৱা পাতিলে। জয়ধ্বজ ৰজাৰ জীয়েকক চেঙ্গধৰা বৰবৰুৱাৰ পুতেকত দিয়ে, এজনা শুকুলাহুতুৰ নাতিয়েকত দিয়ে, এজনা মেচাঘৰীয়া চেংমুন গোহাঁইত দিয়ে। টংচু সন্দিকাইৰ ঘৰত সৰুজনা গোহাঁই আছিল, তেওঁক আনিছে কেকোৰাদোলাৰে। ৰাজগুৰুৰ সত্ৰত মাজিও-গোহাঁই আছিল, তেওঁকো এইৰূপে আনে। চাংমাই জী ৰাজমাৰৰ পো-ভাইক খেলৰপৰা গুচাই ৰৰচেটিয়া পাতিছে। চামগুৰীয়া আশ্ৰয় কৰিছিলে। সবে মহাজনক আনি গালপুঘাটত যজ্ঞ কৰি মণিপুৰত নগৰ কৰিলে। আতপাচে ৰামসিংহ যুদ্ধলৈ আহিল। অনেক প্ৰকাৰ কৰি যুদ্ধে নোৱাৰি সিয়ো গল। আন কাকতক যুদ্ধৰ কথা

আছে দেখি আত যুদ্ধৰ কথা নিলিখিলো। পাচে সেইবেলা চক্ৰধ্বজ ৰজা হ'বাল। লাক্লি ৰাইচানত। ৯৫॥

উদয়াদিত্য ৰজা।—ভায়েক মাজিওজনা ৰজা হৈল, উদয়াদিত্য নাম ললে। কেকুৰি ফুটুকাতলিৰ আলি সোনালেহি। জয়ধ্বজ ৰজার জী সকগাভৰুক দিয়ে টংচু সন্দিকাইৰ নাতিয়েকত। চেম গাভৰুক দিয়ে লাংপেতিৰ পুতেকত। আতপাচে হাতী এটা শুকুলা হ'ল, তাৰ ওপৰত চন্দ্ৰতাপ তৰিছিল, নাগৰাকো গুচাই গা ধুৱাবগৈ, পাচে ক'লা হ'ল। ৯৬॥

ডেবেৰা।—এক বৰাগীক পাই কালজৰীয়া লোকক ভকত হ'ব দিলে। পাচে মোহন, ডেবেৰা, নামগিলা, এই তিনি সকজনা সমন্বিতে মাজিও ৰজাক ধৰিলেগৈ। বাটত যাওঁতে পচাশিমলুক, উষা বামুণক, পেলন বৰবৰুৱাক কাটি ৰজাকো জখলা টানিলত উৰ্ম্মি কৰি চাঙত কান্দিব ধৰিলে। ডেবেৰায়ে বোলে, ওপৰলৈ কান্দা। পাচে নাকান্দিলে। ৰজা বোলে, ভিনি, কিয় এনে কৰিলে? মইনো তোক কি কৰিছোঁ? পাচে ডেবেৰায়ো বোলে, কৰিবলৈ আৰু লাগে? বৰখুটা কাটি আহিছোঁ মাতৰ। মিৰি বণলৈ পঠিয়াই ধৰ্ম্মকো বিঘাত কৰিছে। এইবুলি ডেবেৰা আনদিনা গৈ ৰাজাক পৰ্ব্বতলৈ নি ফুন কৰিলে, লাক্লি মুংমাওত। ভোগ আ-চাৰি বছৰ, মাজুৰজাব কথা শেষ হ'ল। ৯৭॥

ৰামধ্বজসিংহ ৰজা।—সৰুৰজা হৈ ঘোৰাকোঁৱৰক ভিতৰুৱাল ফুকনৰ পৰা গুচাই বৰবৰুৱা পাতিলে। শলগুৰীয়া ফুকন গুচাই ভাটীৰপৰা আনি ভিতৰুৱাল ফুকন পাতিলে। বৈৰাগীক কাটি ত্ৰিশূলত দিলে। খুৰিএক ভুঞা জীয়েকক দোলাৰ তলচা কাটি খেদালে। মাজুৰজাব বৰচ'ৰাক জোলাশাল কৰিলে। যাতো বৰজনা ৰজাৰ চ'ৰাক ঘোঁৰাশাল কৰিবৰ নিমিত্তে লাক্লি লাইচালত বাৰুকিয়াল ৰবগোঁহাইক ৰজা পতা বাদ দি মাৰিলে। আনো দুইচাৰিক মাৰি ঘোঁৰাকোঁৱৰ বৰুৱা ভাঙ্গি ডেবেৰাক বৰবৰুৱা পাতিলে। ৯৮॥

কলীয়া গোহাঁই আৰু মৰাণ গোহাঁই ।—আতপাচে সোণাপুৰত নগৰ লৈ ফাগুনৰ দিনত নৰিয়া পৰি বোলে, মই নিজীওঁ । এই মনে মানি বোলে । ডা-ডাঙ্গৰীয়া সমস্তক নি ৰজা বোলে, মই নিজীওঁ । আৰু তোমালোক ককাইৰ পুতেক কলীয়া গোহাঁইক বোলে । পাচে কতোৱে বোলে ভাল লম ; কতোএ নামাতিলে । নামি আহি অন্যে-অন্যে বিবাদ লগালে । কতো বোলে, কলীয়া গোহাঁয়েহে ৰজা । কতো বোলে, মৰাণ গোহাঁইহে ৰজা । ৯৯ ॥

ডেবেৰাৰ অকাৰ্য্য ।—এনেতে ৰজা শুনি ডেবেৰা বৰুৱাক ধৰিব দিলে । একদিন এইকথা টংচু সন্দিকাই ফুকনৰ তামূলী গকুল ডেবেৰাত কলে, ধৰিব দিছে বুলি । সিও এইকথা শুনি সাজলৈ নুঠে । এনেতে ৰজাৰ নৰিয়া টান কৰিলে । পাচে টংচু সন্দিকাই ফুকনক ডেবেৰাক ধৰিবলৈ পঠিয়ালে । তেওঁ তাৰ ওচৰলৈ চাপিবৰ দেখি বহা বুলি ছাল মেলি দিলে, বোলে, বহি সাৰটি ধৰিম । এনেতে ডেবেৰায়ে ছালৰ পৰা দা উলিয়াই কোব মাৰিলে । ফুকনেও উঠি তামূলীৰ দা লৈ টান-ফাকেৰে গোটাই বান্ধিছিল । তাতে দা নোলাল । এতেকতে ডেবে-ৰায়ে বোলে,—ৰতনপুৰীয়া, দক্ষিণপটীয়া, কি চাইছ, ধৰ । এই শুনি বেৰি ধৰি খুচিলে । ৰাইডঙ্গীয়া ফুকন আদি কৰি ডা-ডাঙ্গৰীয়া কাটিলে। ৰজাকো দৰৱ দি বিহ খুৱাই মাৰিলে । ঘোৰাকোঁৱৰ নাতিয়েকক লাইতাইমুং গড়গঞা সন্দিকাইকলীয়াকে ৰজাৰ লগত চেপি দিলে। পাচে কটামৰা শুনি ৰাজ্য ভাগি দিহাদিহি পলাই যাব ধৰিলে । এইকথা ডেবেৰায়ে শুনি মানুহ পাঞ্চি নিৰ্ভয় দি ৰাখিলে । ডেবেৰায়ে আপোনা জীয়েক টংচু সন্দিকাই বৰুৱাৰ ঘৰিণীয়েক পুৱা পুতেকৰ শ খুজি আনোতে মাজু নাতিয়েক গড় ভিতৰত তিৰোতা সাজ পিন্ধি আছিল। আথাওৰেকৰ লগতহে ওলাল হেংদান। ১০০ ॥

ডেবেৰাই পতা ৰজা ।—আৰপাচে চামগুৰীয়া কোঁৱৰক ৰজা পাতিলে। কুবিদিন আছিল। আহম কথা হবৰ নিমিত্তে চেঙ্গধৰা